# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 21-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। সংসদৰ বৰ্ষাকালীন অধিৱেশন আজি আৰম্ভ হ'ব। এই অধিৱেশন ২১ আগষ্টলৈ চলিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সংসদৰ বৰ্ষাকালীন অধিৱেশন আৰম্ভ হোৱাৰ পূৰ্বে সংবাদ মাধ্যমক সম্বোধন কৰিব।

৩। প্ৰধানমন্ত্ৰী মোদীয়ে ২৩ জুলাইত চাৰিদিনীয়া কাৰ্যসূচীৰে ব্ৰিটেইন আৰু মালদ্বীপলৈ যাব।

৪। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে যে ভাৰতৰ সংসদীয় ৰাজনীতিৰ আলোচনা, বিতৰ্ক, বিবেচনা আৰু বক্তৃতাৰ বাবে পূৰ্বৰ পৰাই সুনাম আছে। ***আৰু***

৫। আজিৰে পৰা দিল্লীৰ ড০ আম্বেদকাৰ ষ্টেডিয়ামত অৰিয়েণ্টেল কাপ ফুটবল প্ৰতিযোগিতা আৰম্ভ হ'ব।

ooooo

সংসদৰ বৰ্ষাকালীন অধিৱেশন আজি আৰম্ভ হ'ব। এই অধিৱেশন ২১ আগষ্টলৈ চলিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সংসদৰ বৰ্ষাকালীন অধিৱেশন আৰম্ভ হোৱাৰ পূৰ্বে সংবাদ মাধ্যমক সম্বোধন কৰিব। অধিৱেশনৰ কালছোৱাত উভয় সদনৰ মুঠ ২১ খন বৈঠক অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে অপাৰেচন সিন্দূৰৰ পাছত এয়া হৈছে সংসদৰ প্ৰথমখন অধিৱেশন। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কয়, যে অধিৱেশনৰ সময়ছোৱাত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰাৰ লগতে কেইবাখনো বিধেয়ক গৃহীত কৰা হ'ব। আমাৰ সংবাদদাতাই জনোৱা মতে অধিৱেশনৰ সময়ছোৱাত ১৭ খন বিধেয়কৰ সন্দৰ্ভত আলোচনা তথা গৃহীত হোৱাৰ সম্ভাৱনা আছে। অধিৱেশনত জনবিশ্বাস সংশোধনী ব্যৱস্থা বিধেয়ক ২০২৫, ৰাষ্ট্ৰীয় ক্ৰীড়া পৰিচালনা বিধেয়ক ২০২৫, ব্যৱসায়িক জাহাজ চলাচল বিধেয়ক ২০২৫কে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক সদনত আলোচনা আৰু গ্ৰহণৰ বাবে উত্থাপন কৰা হ'ব। চৰকাৰে সংসদত উত্থাপন হ'বলগীয়া গুৰুত্বপূৰ্ণ বিষয়সমূহত আলোচনা কৰিবলৈ সাজু বুলি উল্লেখ কৰিছে।

সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে কালি নতুন দিল্লীৰ সংসদ ভৱনত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াৰ বাবে সকলো দলৰ সহযোগিতা কামনা কৰে। বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে এই বৈঠকত অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰী তথা ৰাজ্যসভাৰ নেতা জগত প্ৰকাশ নাড্ডাৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজু, সংসদীয় পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল আৰু ড° এল মুৰুগানে বৈঠকত উপস্থিত থাকে। তদুপৰি কংগ্ৰেছৰ গৌৰৱ গগৈ আৰু প্ৰমোদ তিৱাৰী, এন চি পি-এছ চি পিৰ সুপ্ৰিয়া চুলে, ডি এম কেৰ তিৰুচি শিৱা আৰু টি আৰ বালু আৰু সমাজবাদী পাৰ্টীৰ ৰাম গোপাল যাদৱ, আপৰ নেতা সঞ্জয় সিং বৈঠকত উপস্থিত থাকে।

এই বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে বৈঠকখন গঠনমূলক আছিল বুলি প্ৰকাশ কৰে। শ্ৰীৰিজিজুয়ে কয়, যে চৰকাৰ অপাৰেচন সিন্দূৰৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহ সংসদত আলোচনা কৰিবলৈ আগ্ৰহী। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে অপাৰেচন সিন্দূৰ চলি থাকোতে ভাৰত আৰু পাকিস্তানৰ মাজত মধ্যস্থতা কৰা সম্পৰ্কত বিৰোধীয়ে চৰকাৰক প্ৰশ্ন কৰিব পাৰে নেকি বুলি সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত সদনৰ মজিয়াত চৰকাৰে উপযুক্ত উত্তৰ দিব বুলি মন্তব্য কৰে। আনহাতে, ন্যায়াধীশ বাৰ্মাৰ বিৰুদ্ধে মহাভিযোগ প্ৰস্তাৱ সন্দৰ্ভত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত তেওঁ কয়, যে এই প্ৰস্তাৱটো কেৱল চৰকাৰে লোৱা নহয় বৰঞ্চ সকলো দলে একেলগে লৈছে। ন্যায়াধীশ বাৰ্মাৰ অপসাৰণৰ  সপক্ষে ইতিমধ্যে স্বাক্ষৰকাৰী সাংসদৰ সংখ্যাই ১০০ অতিক্ৰম কৰিছে বুলিও শ্ৰীৰিজিজুৱে প্ৰকাশ কৰে। কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈয়ে অস্ত্ৰবিৰতি সন্দৰ্ভত ট্ৰাম্পৰ দাবী, পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণ ইত্যাদি বিষয়ে সদনৰ মজিয়াত প্ৰধানমন্ত্ৰীৰ বিবৃতিৰ দাবী জনায়।

০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে যে ভাৰতৰ সংসদীয় ৰাজনীতি আলোচনা, বিতৰ্ক, বিবেচনা আৰু বক্তৃতাৰ বাবে পূৰ্বৰ পৰাই সুনাম আছে। অৰ্থপূৰ্ণ তথা গুৰুত্বপূৰ্ণ আলোচনাই ভাৰতক উন্নতিৰ শিখৰলৈ লৈ যাব বুলিও তেওঁ মন্তব্য কৰে। উপ-ৰাষ্ট্ৰপতি শ্ৰীধনখড়ে নতুন দিল্লীত কালি ৰাজ্যসভাৰ ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচীৰ অংশগ্ৰহণকাৰীসকলৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি এই মন্তব্য কৰে। তেওঁ লগতে ৰাজনৈতিক দলসমূহক গঠনমূলক ৰাজনীতিৰে সমাজখন আগুৱাই নিবলৈ আহ্বান জনায়। তেওঁ কয়, যে প্ৰত্যেকটো ৰাজনৈতিক দলৰ দেশৰ উন্নয়নৰ প্ৰতি দায়বদ্ধতা আছে। সেয়েহে যুৱ প্ৰজন্মই এনে মানসিকতাৰে ৰাজনীতিত অংশগ্ৰহণ কৰি সমাজক আগুৱাই নিবলৈ চেষ্টা কৰিব লাগে। এখন সমৃদ্ধিশালী গণতন্ত্ৰই তিক্ততাৰ পৰিৱেশ সকলো সময়তে গ্ৰহণ কৰিব নোৱাৰে বুলি উল্লেখ কৰি তেওঁ কয়, যে ৰাজনীতি কেতিয়াও সংঘাতৰ বাবে হোৱা উচিত নহয়। ৰাজনীতিত বিভিন্ন মতাদৰ্শৰ লোক থাকে যদিও ৰাজনীতিকসকলে এটা নিৰ্দিষ্ট লক্ষ্যত উপনীত হোৱাৰ প্ৰচেষ্টা চলাব লাগে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৩ জুলাইত চাৰিদিনীয়া কাৰ্যসূচীৰে ব্ৰিটেইন আৰু মালদ্বীপলৈ যাব। এই ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ত শ্ৰীমোদীয়ে ব্ৰিটেইন ভ্ৰমণ কৰিব। ভ্ৰমণকালত শ্ৰীমোদীয়ে ভাৰত  আৰু ব্ৰিটেইন দ্বিপাক্ষিক সম্পৰ্কক লৈ প্ৰধানমন্ত্ৰী ষ্টাৰ্মাৰৰ সৈতে আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাই আঞ্চলিক আৰু গোলকীয় স্বাৰ্থ জড়িত বিভিন্ন সমস্যা তথা বিষয়ত মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে ৰজা তৃতীয় চাৰ্লছক সাক্ষাৎ কৰাৰ সম্ভাৱনা আছে। এই ভ্ৰমণকালত উভয় দেশে বাণিজ্য আৰু অৰ্থনীতি, প্ৰযুক্তি আৰু উদ্ভাৱন, প্ৰতিৰক্ষা আৰু সুৰক্ষা, জলবায়ু, স্বাস্থ্য, শিক্ষা আৰু জনসম্পৰ্কীয় বিষয়ত  বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিব। এয়া হ'ব প্ৰধানমন্ত্ৰীগৰাকীৰ চতুৰ্থটো ব্ৰিটেইন ভ্ৰমণ।

এই ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী দুদিনীয়া কাৰ্যসূচীৰে ২৫ জুলাইত মালদ্বীপলৈ যাব। শ্ৰীমোদীয়ে মালদ্বীপৰ ৬০ সংখ্যক স্বাধীনতা দিৱসৰ কাৰ্যসূচীত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব। এই ভ্ৰমণকালত তেওঁ দেশখনৰ ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰি পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰিব। দুয়োগৰাকী নেতাই ভাৰত-মালদ্বীপে যুটীয়া লক্ষ্যৰে গ্ৰহণ কৰা অৰ্থনৈতিক আৰু সামুদ্ৰিক সুৰক্ষা অংশীদাৰিত্ব ৰূপায়ণৰ অগ্ৰগতিৰ বিষয়েও আলোচনা কৰিব। এই ভ্ৰমণে উভয় দেশকে দ্বিপাক্ষিক

সম্পৰ্ক শক্তিশালী কৰি তোলাৰ বাবে সুযোগ প্ৰদান কৰিব। এয়া হ'ব প্ৰধানমন্ত্ৰীগৰাকীৰ তৃতীয়টো মালদ্বীপ ভ্ৰমণ।

০০০০০

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ দুগ্ধ পালকসকল অধিক স্বাৱলম্বন হোৱা আৰু ৰাজ্যত শ্বেত বিপ্লৱৰ সূচনা কৰাৰ লক্ষ্যৰে কালি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এখন নতুন আঁচনিৰ শুভাৰম্ভ কৰে। এই আঁচনিৰ অধীনত সমগ্ৰ ৰাজ্যৰ ৬০১ খন দুগ্ধ সমবায় সমিতিৰ সৈতে জড়িত প্ৰায় ২০ হাজাৰ দুগ্ধ পালকে প্ৰতিলিটাৰ গাখীৰত ৫ টকাৰ ৰাজ সাহায্য লাভ কৰিব। প্ৰতিদিনে ৩০ লিটাৰ গাখীৰ উৎপাদন কৰা দুগ্ধ পালকক এই আঁচনিৰ অধীনত সামৰি লোৱা হৈছে। ২০২৫-২৬ বিত্তীয় বৰ্ষত এই আঁচনিৰ বাবে ১০ কোটি টকা ধাৰ্য কৰা হৈছে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে অসমত দৈনিক গাখীৰ উৎপাদনৰ পৰিমাণ বৃদ্ধিৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। অসমত দৈনিক ২৯ লাখ লিটাৰ গাখীৰ উৎপাদন হয় বুলি উল্লেখ কৰি তেওঁ কয়, যে ইয়াৰে মাত্ৰ ১ লাখ লিটাৰহে প্ৰ-সংস্কৰণ কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে গাখীৰৰ প্ৰ-সংস্কৰণৰ ক্ষমতা বৃদ্ধি গুৰুত্ব আৰোপ কৰাৰ লগতে এই প্ৰক্ৰিয়াত সমবায় সমিতিসমূহক অধিক পৰিমাণে জড়িত কৰিবলৈ চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি মন্তব্য কৰে।

০০০০০

বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা দুদিনীয়া ভ্ৰমণসূচীৰে কালি আফ্ৰিকা মহাদেশৰ লেছ'থ'ত উপস্থিত হয়। দেশখনত উপস্থিত হোৱাৰ পাছতে তেওঁক বৈদেশিক পৰিক্ৰমা আৰু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ প্ৰধান সচীৱ থাবাং লেখেলাই আদৰণি জনায়। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীমাৰ্ঘেৰিটাই কয়, যে দেশ দুখনৰ মাজৰ সম্পৰ্ক অধিক শক্তিশালী কৰা বাবে তেওঁ দেশখনৰ নেতৃবৰ্গৰ সৈতে আলোচনাত মিলিত হ'ব। ৰাজধানী মাছেৰুত তেওঁ দেশখনৰ তথ্য, যোগাযোগ, বিজ্ঞান-প্ৰযুক্তি আৰু উদ্ভাৱনী মন্ত্ৰী তথা শিক্ষা আৰু প্ৰশিক্ষণ মন্ত্ৰীক সাক্ষাৎ কৰিব।

০০০০০

দিল্লীৰ উদীয়মান যুৱ ফুটবল প্ৰতিযোগিতা অৰিয়েণ্টেল কাপৰ তৃতীয় সংস্কৰণ আজিৰে পৰা ড০ আম্বেদকাৰ ষ্টেডিয়ামত আৰম্ভ হ'ব। এই প্ৰতিযোগিতাত ৩৬টা দলে অংশগ্ৰহণ কৰিছে। ইয়াৰে ২৪টা দল ল'ৰাৰ আৰু ১২টা দল ছোৱালীৰ। উদ্বোধনী খেলত ল'ৰা শাখাত দ্বাৰকাৰ চৰকাৰী সহ-শিক্ষা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ে, মাদাৰছ ইণ্টাৰনেশ্যনেল স্কুলৰ বিৰুদ্ধে খেলিব, তাৰ পিছতে সেই দুটা দলৰেই ছোৱালীৰ দল দুটি মুখামুখি হ'ব। দিনটোৰ দ্বিতীয়াৰ্দ্ধত প্ৰথম সংস্কৰণৰ বিজয়ী চুব্ৰত' পাৰ্কৰ এয়াৰ ফৰ্চ স্কুলৰ ল'ৰাৰ দলটোৱে জেএনইউ ৰ কেন্দ্ৰীয় বিদ্যালয় দলটোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাখনৰ সকলো খেল ড° আম্বেদকাৰ ষ্টেডিয়ামতেই অনুষ্ঠিত হ'ব। ২৯ জুলাইত প্ৰতিযোগিতা খনৰ চুড়ান্ত খেলখন অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত